**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 16-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি বিধানসভাৰ কাৰ্যক্ৰমণিকা দিনৰ চাৰে ১১ বজালৈ স্থগিত।

২। বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ প্ৰস্তুতি সন্দৰ্ভত দিছপুৰত গুৰুত্বপূৰ্ণ বৈঠক।

৩। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ আৰু কাৰ্বি নাগৰিক সমাজৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ত্ৰিপাক্ষিক আলোচনা।

আৰু

৪। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ জিলা আৰু ছেচন আদালতত শুনানি।

০০০০০০০

———বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি বিধানসভাৰ কাৰ্যক্ৰমণিকা দিনৰ চাৰে ১১ বজালৈ স্থগিত ৰখা হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে বিধানসভাৰ অন্তিমখন বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, এ আই ইউ ডি এফ, ৰাইজৰ দল, চি পি আই এমৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্ল'গান দিয়াৰ লগতে প্লেকাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখত বহি ৰাজ্যপালৰ ভাষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই বিধানসভাৰ কাম-কাজ ১১ বজালৈ স্থগিত ঘোষণা কৰে। উল্লেখযোগ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত কাইলৈ ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিবেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব। আজি বিভিন্ন বিভাগৰ প্ৰতিবেদন, সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কালি দিছপুৰত অনুষ্ঠিত বৈঠকত পবিত্ৰ বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ প্ৰস্তুতি আৰু ইয়াৰ বাবে প্ৰস্তাৱিত সংগ্ৰহালয় নিৰ্মাণৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। ইয়াৰ লগতে জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত হ'বলগীয়া জনসভাৰ প্ৰস্তুতিৰ খতিয়ান লোৱা হয়। মুখ্যমন্ত্ৰীয়ে এই বৈঠকতে জীৱন প্ৰেৰণা, জীৱন অনুপ্ৰেৰণা, উৎকৰ্ষ আঁচনি আৰু নিযুত বাবু আঁচনি ৰূপায়ণৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে এখন সংবাদমেলত মাজুলী, ডিফু, ওমৰাংছু আৰু মানসত চাৰিটা নতুন বিমান বন্দৰ স্থাপনৰ বাবে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিব বুলি এখন সংবাদমেলত প্ৰকাশ কৰে। কাছাৰৰ ডল' বিমান বন্দৰো কাৰ্যক্ষম কৰি তোলা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত কাৰ্বি নাগৰিক সমাজৰ প্ৰতিনিধি আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সৈতে এখন ত্ৰিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকত চৰকাৰী ভূমি আৰু ভি জি আৰ, পি জি আৰ ভূমিৰ পৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা, চৰকাৰী কাৰ্যালয়সমূহ স্থানান্তৰ কৰা, পৰিষদৰ দ্বাৰা গৃহীত মূল বিধেয়ক নিষ্পত্তি আদিকে ধৰি পূৰ্বৰ অধিবেশনত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ পৰ্যালোচনা কৰা হয়। ডঃ শৰ্মাই সংশ্লিষ্ট বিভাগ তথা বিষয়াসকলক এই সিদ্ধান্তসমূহৰ শীঘ্ৰে কাৰ্যকৰীকৰণ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। ডঃ শৰ্মাই কালি আন এখন বৈঠকত কাৰ্বি চুক্তি স্বাক্ষৰকাৰী

সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ বাবে মিলিত হয়। বৈঠকত কাৰ্বি আংলঙৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ঘোষণা কৰা এহেজাৰ কোটি টকাৰ বিশেষ উন্নয়ন পেকেজৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অসম আৰক্ষীৰ বিশেষ শাখাক কাৰ্বি সংগঠনসমূহৰ প্ৰাক্তন কেডাৰসকলৰ বাবে বিস্তৃত আত্মনিয়োগ আঁচনি প্ৰস্তুত কৰাৰ লগতে ছটা কাৰ্বি সংগঠনৰ প্ৰাক্তন কেডাৰ তথা ছহিদসকলৰ নিকটাত্মীয়ক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। শ্ৰীশ্বাহে অসম ভ্ৰমণৰ প্ৰথম দিনটোত কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ নাতানপুৰ গাঁৱত আয়োজিত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছত ২১ ফেব্ৰুৱাৰীত তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৰাইজিং দিৱস কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। গৃহমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণৰ পূৰ্বে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কালি কাছাৰ জিলাৰ নাতানপুৰৰ অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। এই পৰিদৰ্শনকালত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু বিভাগীয় বিষয়াসকলো উপস্থিত থাকে।

ইপিনে বিধান সভাৰ নিৰ্বাচনৰ দলীয় প্ৰস্তুতিৰ পৰ্যালোচনাৰ বাবে অহা ১৮ ফেব্ৰুৱাৰীত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়েও অসম ভ্ৰমণ কৰিব। দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ আহিবলগীয়া শ্ৰীগান্ধীয়ে কেইবাটাও দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। বিজেপিৰ নৱ-নিৰ্বাচিত সভাপতি নীতিন নবীনো অহা ১৮ ফেব্ৰুৱাৰীত অসমলৈ অহাৰ কথা।

0000000

অসম বিধানসভাৰ কেইবামহলীয়া নতুন সচিবালয় ভৱনটো আজি উদ্বোধন কৰা হৈছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই এই ভৱৰ উদ্বোধন কৰে। অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু উপাধ্যক্ষ ডাঃ নোমল মমিনৰ লগতে আন কেইবাগৰাকী নেতা উপস্থিত থাকে।

0000000

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ জিলা আৰু ছেচন আদালতত গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত হ'ব। গোচৰটোৰ ৩ জন অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক-পৃথক আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে আজি ৰায়দান কৰিব। উল্লেখযোগ্য যে বিশেষ তদন্তকাৰী গোটে বেংক একাউণ্ট জব্দ কৰাৰ বিৰোধিতা কৰাৰ লগতে গোচৰৰ যাবতীয় নথি-পত্ৰ লাভ নকৰা বুলি শ্যামকানু মহন্তই আদালতত আবেদন দাখিল কৰিছে। একেদৰে সিদ্ধাৰ্থ শৰ্মাই গোচৰৰ পৰা তেওঁক ৰেহাই দিয়া আৰু ছিংগাপুৰৰ আদালতৰ তথ্য প্ৰদান কৰাৰ বাবে আবেদন কৰিছে। শেখৰজ্যোতি গোস্বামীয়েও তেওঁক গোচৰটোৰ পৰা ৰেহাই দিয়াৰ বাবে আদালতত নতুনকৈ আবেদন দাখিল কৰিছে। এই আটাইকেইখন আবেদন সন্দৰ্ভত আদালতে আজি শুনানি গ্ৰহণ কৰিব।

0000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে কাইলৈ ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডº তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

0000000

সমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰীক তৎপৰতা বৃদ্ধি পাইছে। সমান্তৰালকৈ বহু নেতা তথা সদস্য দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই আজি দলটোৰ পৰা পদত্যাগ কৰে।

অৱশ্যে সদ্যপদত্যাগী বৰাই কোন দলত যোগদান কৰিব সেই কথা সদৰি কৰা নাই। ইপিনে, দলটোৰ বিধায়ক আব্দুল ৰচিদ মণ্ডলে আজি বিয়লি ৰাইজৰ দলত যোগদান কৰিব। কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদে কাইলৈ ৰাইজৰ দলত যোগদান কৰাৰ কথা।

০০০০০০০

মহা শিৱৰাত্ৰি উপলক্ষে কালিৰে পৰা ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানৰ শিৱ মন্দিৰসমূহত আজি পুৱাও ভক্তৰ দীঘলীয়া শাৰী দেখা গৈছে।

শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত কালিৰে পৰা যথা ৰীতি-নীতিৰে আশুতোষৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু পাঁচদিনীয়া মেলাৰ আয়োজন কৰা হৈছে। মহাদেৱৰ পূজা-অৰ্চনাৰ বাবে শিৱদৌলত কালিৰে পৰা হাজাৰ হাজাৰ ভক্তৰ আগমন ঘটিছে। জিলা প্ৰশাসনে অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। শিৱৰাত্ৰিৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৃহৎ মেলাৰ আয়োজন কৰা হৈছে। মেলাত ৫০০ৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানে অংশ লৈছে। শিৱৰাত্ৰিৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনে আজি স্থানীয় বন্ধ ঘোষণা কৰিছে।

০০০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত কালিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্বি লোকনৃত্য, গীত, সাজপাৰ আৰু পৰম্পৰাগত খেল-ধেমালিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ বাবে কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত এই যুৱ মহোৎসৱৰ আয়োজন কৰি অহা হৈছে। এইবাৰ কাৰ্বি যুৱ মহোৎসৱত খিলঞ্জীয়া ৰন্ধনশৈলী, খাদ্যসম্ভাৰ, বাঁহ-বেতৰ শিল্পৰ প্ৰদৰ্শনী আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্বি সাংস্কৃতিক সমাজৰ মাণ্ডলিক সমিতিৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় তথা অসমৰ ডিমা হাচাও, নগাঁও, হোজাই আৰু বিশ্বনাথ জিলাৰ মাণ্ডলিক সমিতিৰ যুৱক-যুৱতীসকলে এই মহোৎসৱত অংশ লৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০০০

গোলাঘাটৰ অসম-নাগালেণ্ড সীমান্তৰ চেইনপুৰত কালি নিৰাপত্তাৰ দায়িত্বত থকা চি আৰ পি এফৰ লোকৰ ওপৰত একাংশ নগা দুৰ্বৃত্তই আক্ৰমণ চলায়। সৰুপথাৰ সমজিলাৰ চেইনপুৰত বিবদমান ভূমিত পূৰ্বৰে পৰা বন্ধ হৈ থকা এটা পেট্ৰল পাম্প খোলাৰ চেষ্টা কৰাৰ সময়তে এই অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। অসমৰ ভূমিত নগাই স্থাপন কৰা এই পেট্ৰল পাম্পটো দুয়োখন ৰাজ্যৰ প্ৰশাসনে বন্ধ কৰি ৰাখিছে। কালি একাংশ নগাই অনুমতি অবিহনে ডিপুটো পুনৰ আৰম্ভ কৰিব বিচৰাত চি আৰ পি এফ এ বাধা আৰোপ কৰে। নগা দলটোৱে চি আৰ পি এফৰ ওপৰত আক্ৰমণ চলাই পলায়নৰ চেষ্টা কৰে।

০০০০০০০

**সমাপ্ত**